Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



নৱম শ্ৰেণীৰ পাঠ্যপুথি

ইতিহাস

পাঠ - ১

ভাৰতবৰ্ষলৈ ইউৰোপীয়সকলৰ আগমন

অংশ – ১

অনামিকা দাস

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- প্ৰাচীন কালৰে পৰা ভাৰতৰ ইউৰোপৰ বিভিন্ন দেশৰ সৈতে যোগাযোগ আছিল। সামুদ্ৰিক আৰু স্থলপথ দুয়োটা দিশতে ব্যাপক বাণিজ্যিক সম্পৰ্ক আছিল।
- গ্ৰীক আৰু ৰোমানসকলে লোহিত, পাৰস্য আৰু আফগানিস্তানৰ মাজেৰে থকা স্থল পথেৰে ভাৰতৰ সৈতে ব্যাপক বাণিজ্যিক সম্পৰ্ক আছিল।
- ষষ্ঠ শতিকাৰ শেষলৈকে এই সম্পৰ্ক বৰ্তি আছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- সপ্তম শতিকাৰ পৰা সাগৰীয় পথত আৰব নৌ-বাহিনীৰ আধিপত্য বিস্তাৰিত হোৱাৰ ফলত ভাৰতৰ সৈতে ইউৰোপীয়সকলৰ প্ৰত্যক্ষ যোগাযোগ হ্ৰাস হৈ আহিছিল।
- খ্ৰীষ্টীয় দ্বাদশ শতিকাত আৰম্ভ হোৱা ধৰ্মযুদ্ধক কেন্দ্ৰ কৰি কনষ্টাণ্টিনোপল তুৰ্কীয়ে দখল (১৪৫৩ খ্ৰীষ্টাব্দ) কৰাৰ লগে লগে ভাৰতৰ সৈতে পাশ্চাত্য দেশসমূহৰ পোনপটীয়া সম্পৰ্ক ব্যাহত হৈ পৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- ইউৰোপীয় জাতিসমূহে ভাৰতলৈ যোৱা বিকল্প পথৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছিল।
- নতুন পথ বিচাৰি উলিওৱাৰ ক্ষেত্ৰত পৰ্তুগীজসকল আছিল অগ্ৰণী।
- অদম্য দুঃসাহসিক পৰ্তুগীজ নাৱিকসকলে ভাৰতলৈ যোৱা নতুন সাগৰীয় পথ আৱিষ্কাৰ কৰিবলৈ অজ্ঞাত সাগৰত নৌ-যাত্ৰা আৰম্ভ কৰিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

পর্তুগীজ নাৱিক বার্থ'ল' মিউ ডিয়াজে আফ্রিকা মহাদেশৰ দক্ষিণ কোণত অৱস্থিত উত্তমাশা অন্তৰীপত উপস্থিত হয়।



বার্থ'ল' মিউ ডিয়াজ

জন্ম: ১৪৫০ খ্ৰীষ্টাব্দ, আলগার্ভে, পর্তুগাল

মৃত্যু: ২৯মে', ১৫০০ খ্ৰীষ্টাব্দ, কেপ অব্ গুড হ'প, দক্ষিণ আফ্রিকা।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

১০ বছৰৰ পাছত আন এজন নাৱিক ভাস্ক'-ডা-গামা ১৪৯৮ খ্ৰীষ্টাব্দত দক্ষিণ ভাৰতৰ কালিকট বন্দৰত উপস্থিত হয়।



ভাস্ক'-ডা-গামা

জন্ম: ছাইনছ, পর্তুগাল

মৃত্যু: ২৪ ডিচেম্বৰ, ১৫২৪ খ্ৰীষ্টাব্দ, কোচি।




Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- এইদৰে ভাৰত আৰু পশ্চিমীয়া দেশৰ মাজত বহুদিনৰ পৰা বিচৰা সাগৰীয় পথটো আৱিষ্কাৰ হ'ল।
- এই নতুন যোগাযোগে কেৱল ভাৰতৰ ইতিহাসতে নহয়, সমগ্ৰ বিশ্বত এক নতুন যুগৰ সূচনা কৰিলে।

Under CSR Support by
ipca | Foundation


শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



পটুগীজ নাৱিকসকলৰ ইউৰোপ আৰু ভাৰতৰ মাজত জলপথ আৱিষ্কাৰৰ মানচিত্ৰ।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো





ভাস্ক'-ডা-গামাৰ কালিকট অভিযান

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ভাৰতবৰ্ষলৈ ইংৰাজসকলৰ আগমন

- পৰ্তুগীজসকলৰ দৰেই দুঃসাহসিক ইংৰাজ নাৱিকসকলেও নতুন সাগৰীয় পথ আৱিষ্কাৰ কৰাৰ দিশত মনোযোগ দিছিল।
- ১৫৮০ চনত ফ্ৰান্সিছ ড্ৰেক নামৰ এজন ইংৰাজ নাৱিকে জলপথেৰে পৃথিৱী প্ৰদক্ষিণ কৰিবলৈ সক্ষম হয়।



ফান্সিছ ড্ৰেক

জন্ম: টাভিষ্টক, ডেৱন, ইংলেণ্ড

মৃত্যু: ২৭ জানুৱাৰী, ১৫৯৬ খ্ৰীষ্টাব্দ, পানামা।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- ১৫৮২ চনত ৰালফ ফিট্চ নামৰ আন এজন ইংৰাজ নাৱিকে ভাৰত আৰু ব্ৰহ্ম দেশ ভ্ৰমণ কৰিছিল।
- পৰ্তুগীজ বণিকসকলৰ দৰে ইংৰাজ বণিকসকলেও, ভাৰতৰ সৈতে বাণিজ্যত মনোনিৱেশ কৰিব বিচাৰিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- ১৫৯৯ চনত ইংলেণ্ডৰ ৰাণী এলিজাবেথৰ অনুৰোধ পত্ৰ লৈ প্ৰথমবাৰৰ বাবে জন মিলডেনহল নামৰ এজন ইংৰাজ নাৱিক ভাৰতত উপস্থিত হৈছিল।
- প্ৰাচ্যৰ সৈতে বেহা-বেপাৰ কৰাৰ উদ্দেশ্যে ১৬০০ খ্ৰীষ্টাব্দত ইংৰাজ সদাগৰসকলে এটা বাণিজ্যিক প্ৰতিষ্ঠান লণ্ডনত গঠন কৰিছিল। এই প্ৰতিষ্ঠানটো ইংলিছ ইষ্ট ইণ্ডিয়া কোম্পানি নামেৰে জনাজাত হৈছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- ইংলেণ্ডৰ ৰাণী এলিজাবেথে এই কোম্পানীটোক আফ্ৰিকাৰ উত্তমাশা অন্তৰীপৰ পৰা আৰম্ভ কৰি দক্ষিণ আমেৰিকাৰ মাগালান প্ৰণালী পৰ্যন্ত বৃহৎ সাগৰীয় অঞ্চলত ১৫ বছৰৰ বাবে ব্যৱসায় কৰাৰ অনুমতি প্ৰদান কৰিছিল।
- ভাৰতলৈ অহাৰ আগতে এই কোম্পানীয়ে সুমাত্ৰা, জাভা, মালাক্কা আদি ঠাইৰ সৈতে মছলাৰ ব্যৱসায় কৰিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- ১৬০৮ চনত ইংলেণ্ডৰ ৰজা প্ৰথম জেমছে এজন ইংৰাজ বণিক কেপ্তেইন উইলিয়াম হকিন্সৰ জৰিয়তে ভাৰতৰ সৈতে ব্যৱসায় কৰিবলৈ মোগল সম্ৰাট জাহাংগীৰ (১৬০৫-১৬২৭)লৈ এখন আবেদন পত্ৰ প্ৰেৰণ কৰে।
- কেপ্তেইন উইলিয়াম হকিন্স ১৬০৯ চনৰ এপ্ৰিল মাহত আগ্ৰাত উপস্থিত হৈ সম্ৰাট জাহাংগীৰক সাক্ষাৎ কৰিছিল। এয়া আছিল ইংৰাজৰ আগ্ৰাত প্ৰথম পদাৰ্পণ।
- হকিন্সে তাপ্তী নদীৰ মোহনাৰে চুৰাট বন্দৰত উপস্থিত হয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- কেপ্তেইন হকিন্সে ২ বছৰ মোগল সাম্ৰাজ্যত থাকি মোগল সম্ৰাটৰ পৰা কিছু বাণিজ্যিক সুবিধা লাভ কৰিবলৈ চেষ্টা কৰিছিল।
- সম্ৰাট জাহাংগীৰে কেপ্তেইন হকিন্সে আগবঢ়োৱা বাণিজ্যিক চুক্তিৰ অনুৰোধ নাকচ কৰে।
- ১৬১৫ চনত ইংৰাজ ৰজা প্ৰথম জেমছে পুনৰ ছাৰ থমাছ ৰ'কক সম্ৰাট জাহাংগীৰৰ ওচৰলৈ পঠিয়াইছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- যদিও থমাছ ৰ'ৰে কোনো বাণিজ্যিক চুক্তি স্বাক্ষৰ কৰিব নোৱাৰিলে, কিন্তু তথাপিও সম্ৰাট জাহাংগীৰে ইংৰাজ বণিকসকলক চুৰাটত বাণিজ্যিক কুঠি স্থাপনৰ অনুমতি দিয়ে।
- ইয়াৰ পিছতো ইংৰাজ বণিকসকলে ভাৰতৰ সৈতে বাণিজ্যিক চুক্তি স্বাক্ষৰৰ প্ৰচেষ্টা অব্যাহত ৰাখিছিল তথা বিভিন্ন ঠাইত বাণিজ্যিক সম্প্ৰসাৰণ ঘটাইছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



কেপ্টেইন উইলিয়াম হকিন্স



মোগল সম্ৰাট জাহাংগীৰ



ছাৰ টমাচ ৰ'

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- ১৭১৫ চনত জন ছাৰমানৰ নেতৃত্বত ইংৰাজ সঁজাতী দলে মোগল সম্ৰাট ফাৰুখছিয়াৰ (১৭১৩-১৭১৯)ক লগ কৰি বাণিজ্যিক চুক্তিৰ বাবে নতুন প্ৰস্তাৱ আগবঢ়ায়।
- জন ছাৰমেনৰ লগত যোৱা ডাক্তৰ হেমিল্টন নামৰ এজন ইংৰাজ চিকিৎসা বিশেষজ্ঞই সম্ৰাটক এক বেদনাদায়ক ৰোগৰ পৰা সুস্থ কৰি তুলিছিল।


Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- এই চিকিৎসা সেৱাৰ পুৰস্কাৰ হিচাপে ইষ্ট ইণ্ডিয়া কোম্পানীয়ে সম্ৰাটৰ পৰা ৩খন 'ফৰমান' লাভ কৰিছিল যাৰ দ্বাৰা কোম্পানীটোৱে সমগ্ৰ ভাৰতবৰ্ষত নিৰ্বিঘ্নে বাণিজ্য কৰাৰ অধিকাৰ লাভ কৰিছিল।
- কোম্পানীটোৱে ১৬১১ চনত গোলকুণ্ডাৰ চুলতানৰ পৰা অনুমতি লৈ মছলিপট্টনমত এটা বাণিজ্য কেন্দ্ৰ প্ৰতিষ্ঠা কৰে।
- কোম্পানীটোৱে ১৬৩৬ চনত আৰমাগাঁৱত দ্বিতীয় বাণিজ্য কেন্দ্ৰ নিৰ্মাণ কৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



- ১৬৩৯ চনত চন্দ্রগিৰিৰ ৰজাৰ সৈতে চুক্তি কৰি আৰমাগাঁৱৰ বাণিজ্য কেন্দ্রটো মাদ্রাজৰ ওচৰৰ ঠাইলৈ স্থানান্তৰিত কৰা হয়। এই কেন্দ্রটো ফৰ্ট ছেণ্ট জৰ্জ নামেৰে নামাকৰণ কৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- ১৬৬১ খ্ৰীষ্টাব্দত ইংলেণ্ডৰ ৰজা দ্বিতীয় চাৰ্লছে (Charles II) পৰ্তুগীজ ৰাজকন্যা কেথৰিনক বিয়া কৰাই যৌতুক হিচাপে বোম্বাই (মুম্বাই) চহৰ লাভ কৰিছিল। ৰজা চাৰ্লছে ১৬৬৮ খ্ৰীষ্টাব্দত পঞ্চাশ হেজাৰ পাউণ্ড ঋণৰ বিনিময়ত বোম্বাই ইংৰাজ কোম্পানিক হস্তান্তৰ কৰিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- তেতিয়াৰ পৰাই বোম্বাই কোম্পানীটোৰ মুখ্য কার্যালয় হৈ পৰিল।
- ১৬৯০ চনত জব চার্ণক নামৰ এজন কোম্পানী বিষয়াই বংগৰ নবাবৰ লগত কৰা চুক্তিৰ জৰিয়তে বছৰি ১২০০ টকা খাজনাৰ বিনিময়ত তিনিখন গাঁৱৰ ওপৰত জমিদাৰীস্বত্ব লাভ কৰে।
  - কালিঘাট (কলকাতা)
  - সুতানুটি
  - গোবিন্দপুৰ


Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- এই ৩ খন গাঁও একত্রিত হৈ পিছলৈ কলিকতা চহৰলৈ ৰূপান্তৰিত হয়।
- ইংলেণ্ডৰ ৰজা তৃতীয় উইলিয়ামৰ সন্মানার্থে কলিকতা বাণিজ্য কেন্দ্রটোৰ নাম 'ফৰ্ট উইলিয়াম' ৰখা হৈছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



ইষ্ট ইণ্ডিয়া কোম্পানিৰ অধীনস্থ কলিকতাৰ ফ'ৰ্ট উইলিয়াম বাণিজ্য কেন্দ্ৰ (১৭৬০)

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



ইষ্ট ইণ্ডিয়া কোম্পানিৰ অধীনস্থ কলিকতাৰ ফ'ৰ্ট উইলিয়াম বাণিজ্য কেন্দ্ৰ (১৮২৮)

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- ইষ্ট ইণ্ডিয়া কোম্পানীৰ সাধাৰণ সেৱক ৰবাৰ্ট ক্লাইভে অতি কম সময়ৰ ভিতৰতে ভাৰতত ঔপনিৱেশিক সাম্ৰাজ্য গঢ়ি তুলিবলৈ কূটনৈতিক দক্ষতাৰ কলা অৰ্জন কৰিছিল।
- ক্লাইভে নিজৰ কোম্পানীৰ স্বাৰ্থত আন ইউৰোপীয় কোম্পানীক ভাৰতৰ পৰা বহিষ্কাৰ কৰাৰ আঁচনি ৰচনা কৰিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- যুদ্ধ নতুবা বন্ধুত্বৰ দ্বাৰা তেওঁ দেশীয় ৰজাসকলক নিজৰ পক্ষত ৰাখিবলৈ চেষ্টা কৰিছিল।

mg



ৰবাৰ্ট ক্লাইব

জন্ম — ২৫ ছেপ্টেম্বৰ, ১৭২৫, ইংলেণ্ড

মৃত্যু — ২২ নৱেম্বৰ, ১৭৭৪ লণ্ডন, ইংলেণ্ড

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- বংগৰ নবাব, হায়দৰাবাদৰ নিজাম, অযোধ্যাৰ নবাব, ৰাজপুতনাৰ ৰজা আদি সকলোৱে কোম্পানীৰ লগত বন্ধুত্ব কৰি নিজৰ কৰ্তৃত্ব বিসৰ্জন দিব লগা হৈছিল।
- পলাচী যুদ্ধত (১৭৫৭ খ্ৰীষ্টাব্দ) বংগ, বিহাৰ আৰু উৰিষ্যাৰ নবাব ছিৰাজ উদদৌলা (১৭৫৬- ৫৭) পৰাস্ত কৰি ভাৰতবৰ্ষত ব্ৰিটিছ সাম্ৰাজ্যৰ লাইখুঁটা স্থাপন কৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- ৰবাৰ্ট ক্লাইভৰ পৰা লৰ্ড ডেলহাউচীৰ শাসনৰ সময়লৈকে (১৮৪৮-৫৬) ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ক্ৰমান্বয়ে সমগ্ৰ ভাৰততে ব্ৰিটিছ সাম্ৰাজ্যবাদৰ উপনিবেশ গঢ়ি তুলিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

৬ ভাৰতত ব্ৰিটিছৰ অধীনস্থ শাসনৰ দীঘলীয়া সময়ছোৱাক ২ ভাগত ভাগ কৰিব পাৰি —

১ম — মোগল সাম্ৰাজ্যৰ পতনৰ পৰা ১৮৫৭ চনৰ বিদ্ৰোহলৈকে ।

২য় — ১৮৫৮ চনৰ পৰা ১৯৪৭ চনলৈ।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

১ম পৰ্যায়ৰ সময়ত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে —

— ভাৰতীয় শাসকবৰ্গক সিংহাসনচ্যুত কৰি সিঁচৰিত হৈ থকা ৰাজ্যসমূহ একত্ৰিত কৰি শাসনতন্ত্ৰ প্ৰতিষ্ঠা কৰিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

২য় পর্যায়-

—ব্রিটিছ শক্তিয়ে ভাৰতত ইংৰাজ প্রশাসন সুসংবদ্ধ কৰি কিছুমান জনকল্যাণমূলক ব্যৱস্থা হাতত লৈছিল। তথা গুৰুত্বপূর্ণ প্রশাসনিক সংস্কাৰৰ ব্যৱস্থা কৰিছিল।

- ভাৰতৰ জাতীয় আন্দোলনও এই সময়ছোৱাত গঢ় লৈ উঠিছিল।
- এই আন্দোলনৰ ফলস্বৰূপে ইংৰাজে ভাৰত ত্যাগ কৰিবলগীয়া হৈছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

কোম্পানিৰ আমোল

- ৰবার্ট ক্লাইভৰ দ্বিতীয় প্রশাসন (১৭৬৫-৬৭) ভাৰতত কোম্পানীৰ শাসনৰ এক গুৰুত্বপূর্ণ পর্যায় আছিল।
- এই সময়ছোৱাত ব্রিটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ৰাজশক্তিৰূপে আইনগত স্বীকৃতি পাইছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- মোগল সম্ৰাট ছাহ আলমে (১৭৫৯-১৮০৬) ক্লাইভৰ লগত সম্পাদন কৰা এলাহাবাদৰ সন্ধি (১৭৬৫)ৰ ফলত বংগ, বিহাৰ আৰু উৰিষ্যাৰ ওপৰত ৰাজনৈতিক কর্তৃত্ব লাভ কৰে।
- সম্ৰাটে কোম্পানিক দেৱানী অর্থাৎ ৰাজহ সংগ্ৰহ আৰু অসামৰিক প্ৰশাসনৰ দায়িত্ব প্ৰদানৰ যোগেদি বংগত দ্বৈতশাসন প্ৰৱর্তন (১৭৬৫) কৰিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

এই বিধানৰ দ্বাৰা —

- এফালে কোম্পানীটোৰ শক্তি দুগুণ বৃদ্ধি পালে।
- আনহাতে নবাব কোম্পানীৰ অধীনস্থ হৈছিল তথা নামমাত্ৰ শাসক হে পৰিছিল।
- ৰবাৰ্ট ক্লাইভৰ পৰৱৰ্তী গৱৰ্ণৰসকলেও মোগল শাসকসকলৰ ওপৰত নিজৰ ৰাজনৈতিক কৰ্তৃত্ব জাপি দিবলৈ চেষ্টা কৰিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

↳ ইষ্ট ইণ্ডিয়া কোম্পানী ভাৰতত ৱাৰেন হেষ্টিংছৰ দিনত (১৭৭৪-৮৫) আটাইতকৈ শক্তিশালী হৈ উঠিছিল।



ওৱাৰেণ হেষ্টিংছ
জন্ম — ৬ ডিচেম্বৰ, ১৭৩২, ছার্চিল, অক্সফ'ৰ্ডছায়াৰ
মৃত্যু — ২২ আগষ্ট, ১৮১৮
গ্লোছেষ্টাৰছায়াৰ

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- তেওঁ নবাবসকলক (মোগল সম্ৰাটৰ অধীনস্থ) স্বাধীনতা ঘোষণা কৰিবলৈ উৎসাহিত কৰিছিল।
- হেষ্টিংছে প্ৰথমবাৰৰ বাবে নিজকে মোগল সম্ৰাটৰ সমান মৰ্যাদাৰ বুলি দাবী কৰিছিল।
- পলাচী যুদ্ধৰ পিছত ভাৰতবৰ্ষত কোম্পানীৰ শাসনৰ প্ৰথম সময়ছোৱাত কলিকতা, বম্বে আৰু মাদ্ৰাজ ইষ্ট ইণ্ডিয়া কোম্পানীৰ প্ৰধান প্ৰশাসনিক কেন্দ্ৰ হৈ পৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- এই কেন্দ্রসমূহৰ সর্বোচ্চ শাসকগৰাকীক প্রেছিডেণ্টৰ বিষয়বাব দিয়া হৈছিল।
- প্রেছিডেণ্টৰ অধীনত থকা শাসনযন্ত্রটোক প্রেছিডেন্সি নামে জনা গৈছিল।
- ব্রিটিছ চৰকাৰে ১৭৭৩ চনৰ ৰেগুলেটিং এক্টৰ দ্বাৰা বংগৰ গৱর্ণৰক 'গভর্ণৰ জেনেৰেল' নামেৰে নামাকৰণ কৰি বম্বে আৰু মাদ্রাজৰ গৱর্ণৰ দুজনক বংগৰ গৱর্ণৰ জেনেৰেলৰ অধীনস্থ কৰি তুলিলে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- এই ব্যৱস্থাৰ দ্বাৰা সমগ্ৰ ভাৰততে কেন্দ্ৰীভূত প্ৰশাসন আৰম্ভ হৈছিল।
- ১৭৮৪ চনৰ পিটছ ইণ্ডিয়া এক্টে ভাৰতত দুটা স্তৰৰ চৰকাৰ সৃষ্টি কৰিছিল।
- কোম্পানীয়ে এই আইনৰ দ্বাৰা ভাৰতত শাসন কৰিছিল। আনহাতে কোম্পানী পৰিচালিত হৈছিল ইংলেণ্ডৰ গৃহ চৰকাৰৰ জৰিয়তে।

Under CSR Support by ipca Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



১। ভাস্ক'-ডা-গামাই ভাৰতত কোনটো বন্দৰত পদাৰ্পণ কৰিছিল ?

২। বংগত দ্বৈতশাসন কোনে প্ৰৱৰ্তন কৰিছিল ?